গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ ষাণ্মাসিকৰ ASM-HE ৬০৫৬ কাকতৰ বাবে প্ৰস্তুত কৰা বাধ্যতামূলক প্ৰকল্প

# বিষয়ঃ অসমৰ ইছলাম ধৰ্মীয় লোকৰ জন্ম,মৃত্যু, বিবাহ সম্পৰ্কীয় লোকাচাৰ

(নলবাৰী জিলাৰ অন্তৰ্গত খাটাবাৰী গাঁৱৰ বিশেষ উল্লিখন সহ)।

Presented to HOD 04/06/2024


তত্ত্বৱধায়িকা

পৰ্ণা মেধি

পৰ্ণা মেধি

সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

গৱেষিকা ছাত্ৰী

নামঃ লোমিনা ইয়াচমিন

লোমিনা ইয়াচমিন

শ্ৰেণী ৰোল নং- **BA 210034**

ৰোল নং-**UA-211-193-0167**

পঞ্জীয়ন নং-**21086485**

অসমীয়া বিভাগ


## মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী

# পাতনি

সংস্কৃতি আৰু লোকাচাৰৰ দৰে ব্যাপক পৰিসৰৰ বিষয়ক লৈ গৱেষণা কৰাটো মোৰ বাবে ইমান সহজ নাছিল। এক বহল বিষয়ৰ গৱেষণা ক্ষেত্ৰলৈ এয়া মোৰ এক ক্ষুদ্ৰ প্ৰচেষ্টা। অসমৰ সংস্কৃতি, লোকাচাৰ তথা নিজৰ গাঁৱৰ ইছলাম ধৰ্মাৱলম্বী লোকৰ জন্ম, মৃত্যু, বিবাহ সম্পৰ্কে লোকাচাৰ বিষয়টি লৈ বিশেষ আগ্ৰহেৰে গৱেষণা কাৰ্য আৰম্ভ কৰো। সৰুৰে পৰা শুনি অহা নাইবা কিছুমান পায়-নাপায় কথাৰ অনেক উত্তৰ দিব পৰা নাছিলো। সেয়ে সংস্কৃতি আৰু লোকাচাৰৰ দিশ ক'ত, জন্ম ক'ত গৱেষণাৰ মাধ্যমেৰে বিচাৰিব চেষ্টা কৰিছিলো। প্ৰথমে বিষয়টি কৰ পৰা আৰম্ভ কৰিম গুৰি বিচাৰি পোৱা নাছিলো যদিও সেয়া ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰাই সম্ভৱ হ'ল।

মোৰ এই প্ৰকল্পটিৰ বিষয়টো পৰ্যালোচনাৰ সুবিধাৰ্থে ছয়টা অধ্যায়ত ভাগ কৰা হৈছে। অৱশ্যে অৱতৰণিকাকে মূল অধ্যায় হিচাপে ধৰি অধ্যয়নৰ বিষয়বস্তু, অধ্যয়ন ক্ষেত্ৰ, অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য, অধ্যয়নৰ প্ৰয়োজনীয়তা, পূৰ্বকৃত অধ্যয়ন, অধ্যয়নৰ প্ৰণালী আৰু প্ৰমেয় উল্লেখ কৰা হৈছে।

প্ৰথম অধ্যায়ত নলবাৰী জিলাৰ পৰিচয় আৰু গাঁৱৰ পৰিচয় সম্পৰ্কে আগবঢ়োৱা হৈছে। দ্বিতীয় অধ্যায়ত সংস্কৃতিৰ স্বৰূপ, সংজ্ঞা আৰু সংস্কৃতিৰ শ্ৰেণী বিভাজন কৰি দেখুওৱা হৈছে। তৃতীয় অধ্যায়ত লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপ, লোকাচাৰৰ সৈতে আৰ্থসামাজিক, সামাজিক আৰু বৈজ্ঞানিক সম্পৰ্ক, লোকাচাৰৰ বিভাগ, অসম আৰু নলবাৰী জিলাৰ লোকাচাৰ, গাঁৱৰ লোকাচাৰ সম্পৰ্কে আগবঢ়োৱা হৈছে। চতুৰ্থ অধ্যায়ত গাঁৱৰ ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ জন্ম সম্পৰ্কীয় লোকাচাৰ আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়ত গাঁৱৰ ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ বিবাহ সম্পৰ্কে লোকাচাৰ আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায়ত গাঁৱৰ ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ বিষয়ে আলোচনা কৰা হৈছে।

উপসংহাৰত বিষয়টিৰ মূলসূল আলোচনা আগবঢ়োৱা হৈছে। শেষত গ্ৰন্থপঞ্জী, সংবাদদাতা, সংবাদদাত্ৰীৰ তালিকা উল্লেখ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ আলোকচিত্ৰ সংগ্ৰহ কৰা হৈছে।

# কৃতজ্ঞতা স্বীকাৰ

এই প্ৰকল্পটো সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত মোক সকলো দিশৰ সহায় তথা দিশ পৰামৰ্শ আগবঢ়োৱা মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা পৰ্ণা মেধি বাইদেউলৈ সশ্ৰদ্ধ প্ৰণাম যাচিলো। মোৰ এই গৱেষণা কৰ্মৰ বিষয় নিৰ্বাচনৰ পৰা ধৰি পৰিকল্পনাৰ মাজেৰে বিষয়টোক বাস্তবায়িত কৰাৰ ক্ষেত্ৰত তত্ত্বাৱধায়ক হিচাপে বাইদেউ যি ভূমিকা গ্ৰহণ কৰিলে তাৰ বাবে মই চিৰদিন ঋণী হৈ ৰম। এই ছেগতে মই মা-দেউতাৰ লগতে গাঁওৰ যিসকল লোকে সহায় কৰিলে তেওঁলোকক কৃতজ্ঞতাৰ শলাগ যাচিলো।


এই ছেগতে মই বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মণিমা ভূঞা বাইদেউ, সহকাৰী অধ্যাপিকা ড° হীৰামণি তালুকদাৰ বাইদেউ, সহকাৰী অধ্যাপিকা ড° নীহাৰিকা মৰাণ বাইদেউ আৰু সহকাৰী অধ্যাপক বিতুৰাম হেংলেং ছাৰৰ কথা কৃতজ্ঞতাৰে স্মৰণ কৰিছো আৰু মোৰ অন্তৰ ভৰা কৃতজ্ঞতা যাচিলো।

বন্ধু অবিহনে কোনো ব্যক্তিৰ জীৱনটো সফলতা নাহে। গৱেষণাৰ সময়ছোৱাত বহু বন্ধু

বান্ধৱীয়ে সহায় কৰিছিল। লগতে মহাবিদ্যালয়ৰ পুথি ভঁৰালটোৰ পৰাও যথেষ্টখিনি সহায় পাইছো।

লোমিনা ইয়াচমিন।

# খাটাবাৰী গাঁৱৰ মানচিত্ৰ



# সূচীপত্ৰ

| | পৃষ্ঠা |
|---|---|
| আৰম্ভণিকা : | ১-৫ |
| অধ্যয়নৰ বিষয়বস্তু | |
| অধ্যয়ন ক্ষেত্ৰ | |
| অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য | |
| অধ্যয়নৰ প্ৰয়োজনীয়তা | |
| পূৰ্বকৃত অধ্যয়ন | |
| অধ্যয়নৰ প্ৰণালী | |
| প্ৰমেয় | |
| প্ৰথম অধ্যায় : | ৬-১০ |
| নলবাৰী জিলাৰ পৰিচয় | |
| খাটাবাৰী গাঁৱৰ পৰিচয় | |
| গাঁৱৰ ভৌগোলিক স্থিতি, সীমা আৰু মাটিকালি | |
| গাঁৱৰ জনসংখ্যা | |
| গাঁৱৰ জীৱিকা | |
| গাঁৱৰ ধৰ্ম | |
| গাঁৱৰ প্ৰসিদ্ধ স্থান | |
| গাঁৱৰ ভাষা | |
| গাঁৱৰ সাহিত্য | |

দ্বিতীয় অধ্যায়ঃ ১১-১৭

সংস্কৃতিৰ স্বৰূপ

সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজন

অভিজাত সংস্কৃতি

লোক সংস্কৃতি

জনজাতীয় সংস্কৃতি

তৃতীয় অধ্যায়ঃ ১৮-২৫

লোকাচাৰ

লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপ

লোকাচাৰৰ সৈতে আৰ্থসামাজিক, সামাজিক আৰু বৈজ্ঞানিকৰ সম্পৰ্ক

লোকাচাৰৰ বিভাগ

অসম আৰু নলবাৰীৰ লোকাচাৰ

ঘোঁটাবাৰী গাঁৱৰ লোকাচাৰ

চতুৰ্থ অধ্যায়ঃ ২৬-৩২

ঘোঁটাবাৰী গাঁৱৰ জন্ম সম্পৰ্কীয় লোকাচাৰ

গৰ্ভাৱস্থাৰ লোকাচাৰ

প্ৰসৱৰ সময়ৰ লোকাচাৰ

প্ৰসৱৰ পিছৰ লোকাচাৰ

দাঁত গজা

চুলি কটা

অন্নপ্ৰাশন

মাতৃ আৰু কেচুৱাৰ ৰোগৰ সময়ৰ

লোকাচাৰ

অন্যান্য

জন্ম সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন

আৰু বিশ্বায়ন প্ৰভাৱ

৩৬-৪১

পঞ্চম অধ্যায় :

খাটৱৰী গাঁৱৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ

কইনা চাবলৈ যোৱাৰ লোকাচাৰ

বিবাহৰ দিন ঠিক কৰাৰ লোকাচাৰ

জোৰণৰ সময়ৰ লোকাচাৰ

বিয়াৰ সময়ৰ লোকাচাৰ

বিয়াৰ পিছৰ লোকাচাৰ

বিবাহ সম্পৰ্কীয় লোকাচাৰৰ

পৰিৱৰ্তন আৰু বিশ্বায়ন প্ৰভাৱ।

ষষ্ঠ অধ্যায়ঃ ৪২-৪৬

সাতিবৰী গাঁৱৰ মৃত্যু সম্পৰ্কীয় লোকাচাৰ

কবৰৰ সময়ৰ লোকাচাৰ

কবৰৰ পিছৰ লোকাচাৰ

মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন আৰু বিশ্বায়ন প্ৰভাৱ

উপসংহাৰ ৪৬-৪৮

গ্ৰন্থপঞ্জী ৪৯

সংবাদ দাতা ৫০

আলোক চিত্ৰ ৫১

# আৰম্ভণিকা

## ১.০ অধ্যয়নৰ বিষয়বস্তু:

এই প্ৰকল্পটিত খাটাবাৰী গাওঁখনৰ পৰিচয় সম্পৰ্কে আলোচনা কৰাৰ লগতে গাওঁখনৰ লোকাচাৰৰ বিভিন্ন দিশসমূহক সামৰি লোৱা হৈছে। জন্ম মৃত্যু, বিবাহ সম্পৰ্কে লোকাচাৰৰ লগতে বিশ্বায়ন আৰু সংস্কৃতিৰ কথা এই প্ৰকল্পটিৰ আলোচনাৰ বিষয়বস্তু।

## ১.১ অধ্যয়ন ক্ষেত্ৰ

নলবাৰী জিলাৰ খাটাবাৰী গাওঁখন বাচি লোৱা হৈছে। গাওঁখনৰ ভৌগোলিক অৱস্থান, লোকাচাৰ, ধৰ্ম, জীৱিকা ইত্যাদি সম্পৰ্কে অধ্যয়ন কৰাৰ বাবে বাচি লোৱা হৈছে।

## ১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যঃ

প্ৰকল্পটি লিখিবলৈ লওঁতে কেইটামান লক্ষ্য আৰু উদ্দেশ্য ৰখাটো দৰকাৰ।

১। খাটাবাৰী গাঁৱৰ গাওঁবাসীৰ পৰিচয়ৰ লগতে এওঁলোকৰ মাজত প্ৰচলিত লোকাচাৰ সম্পৰ্কে আলোচনা কৰা।

২। খাটাবাৰী গাঁৱত প্ৰচলিত ইছলাম ধৰ্মাৱলম্বী লোকৰ পৰিচয়, সংস্কৃতি, লোকাচাৰ আৰু ইয়াৰ পৰিৱৰ্তনৰ লগতে বিশ্বায়নৰ প্ৰভাৱ বিষয়ে আলোচনা আগবঢ়োৱা।

## ১.৩ অধ্যয়নৰ প্ৰয়োজনীয়তাঃ

ক্ষেত্ৰ অধ্যয়নে প্ৰয়োগিক জ্ঞানৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে বিষয়বস্তুৰ গভীৰতবলৈ যাবলৈ প্ৰেৰণা যোগায়। বিশেষকৈ এই প্ৰকল্পটিত নলবাৰী জিলাৰ খাটাবাৰী গাওঁত প্ৰচলিত ইছলাম ধৰ্মাৱলম্বী মানুহখিনিৰ পৰিচয়, সংস্কৃতি, লোকাচাৰ আৰু ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ জন্ম, মৃত্যু, বিবাহ সম্পৰ্কে লোকাচাৰৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা

১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য:

প্ৰকল্পটি লিখিবলৈ লওঁতে কেইটামান লক্ষ্য আৰু উদ্দেশ্য ৰখাটো দৰকাৰ।

১। ঝাটাবাৰী গাঁৱৰ গাওঁবাসীৰ পৰিচয়ৰ লগতে এওঁলোকৰ মাজত প্ৰচলিত লোকাচাৰ সম্পৰ্কে আলোচনা কৰা।

২। ঝাটাবাৰী গাঁৱত প্ৰচলিত ইছলাম ধৰ্মাৱলম্বী লোকৰ পৰিচয়, সংস্কৃতি, লোকাচাৰ আৰু ইয়াৰ পৰিৱৰ্তনৰ লগতে বিশ্বায়নৰ প্ৰভাৱ বিষয়ে আলোচনা আগবঢ়োৱা।

১.৩ অধ্যয়নৰ প্ৰয়োজনীয়তা:

ক্ষেত্ৰ অধ্যয়নে প্ৰয়োগিক জ্ঞানৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে বিষয়বস্তুৰ গভীৰতলৈ যাবলৈ প্ৰেৰণা যোগায়। বিশেষকৈ এই প্ৰকল্পটিত নলবাৰী জিলাৰ ঝাটাবাৰী গাওঁত প্ৰচলিত ইছলাম ধৰ্মাৱলম্বী মানুহখিনিৰ পৰিচয়, সংস্কৃতি, লোকাচাৰ আৰু ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ জন্ম, মৃত্যু, বিবাহ সম্পৰ্কে লোকাচাৰৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা

উপলব্ধি কৰা হৈছে।

১.৪ পূৰ্বকৃত অধ্যয়ন:

নিজ গাওঁৰ বিষয়টো বাদ দি সংস্কৃত আৰু লোকাচাৰ সম্পৰ্কে বিভিন্ন লেখকসকলে বিভিন্ন গ্ৰন্থত ভিন্ন ধৰণে উল্লেখ কৰিছে।

কুসুম তালুকদাৰৰ 'অসমৰ সংস্কৃতি' নামৰ গ্ৰন্থখনত সংস্কৃতিৰ স্বৰূপ আৰু সংজ্ঞা সম্পৰ্কে আলোচনা কৰা দেখা যায়।

অনিল চন্দ্ৰ মজুমদাৰৰ 'অসমীয়া সাহিত্যত লোক-সাংস্কৃতিক সমল (চৰ্যাপদৰ পৰা সাম্প্ৰতিকলৈ গ্ৰন্থখনত লোক সংস্কৃতিৰ সম্পৰ্কে বহল ভাৱে আলোচনা আগবঢ়াইছে।

লীলা গগৈ আৰু হৰিপ্ৰসাদ নেওগৰ 'অসমীয়া সংস্কৃতি' নামৰ গ্ৰন্থখনত সংস্কৃতিৰ স্বৰূপ সম্পৰ্কে অতি বিস্তৃত ভাৱে আলোচনা আগবঢ়াইছে।

নবীন চন্দ্ৰ শৰ্মাৰ 'অসমৰ লোক সংস্কৃতিৰ আভাস" নামৰ গ্ৰন্থখনত সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণী বিভাজন সুন্দৰকৈ আগবঢ়োৱা হৈছে।

ৰমেশ্ব বৰাৰ গৱেষণা পত্ৰ 'অসমীয়া আৰু বড়ো জনগোষ্ঠীৰ লোকবিশ্বাস আৰু লোকাচাৰ এটি তুলনামূলক অধ্যয়ন'ত লোকাচাৰৰ অৰ্থ, সংজ্ঞা, স্বৰূপ, বিভাগ আদি সুন্দৰ ভাৱে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াইছে।

১.৫ অধ্যয়ন প্ৰণালী

প্ৰকল্পটিৰ বিষয়টোৰ অধ্যয়ন প্ৰণালী বিশ্লেষণাত্মক ভাৱে আগবঢ়ায় নিয়া হৈছে। বিষয়টোৰ সমল সংগ্ৰহ কৰোতে গৌণ সমলৰ সহায় লোৱা হৈছে। অৰ্থাৎ বিষয়টোৰ লগত সম্পৰ্কিত গ্ৰন্থ, প্ৰবন্ধ আদিৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। লগতে গাওঁৰ কিছুমান লোকৰ পৰাও তথ্য সংগ্ৰহ কৰা হৈছে।

১.৬ প্ৰমেয়:

প্ৰকল্পটিত সিদ্ধান্ত উল্লেখ কৰা দিশ কেইটা প্ৰমেয় হিচাপে লোৱা যাব-

১। নলবাৰী জিলা আৰু খাটাবাৰী গাওঁৰ ভৌগোলিক পৰিচয় পোৱা যাব।

২। খাটাবাৰী গাওঁৰ উজ্জ্বলাম লোকসকলৰ জন্ম, মৃত্যু, বিবাহত লোকাচাৰৰ গুৰুত্ব আৰু পৰিৱৰ্তনৰ আভাস পোৱাৰ লগতে বিশ্বায়নৰ প্ৰভাৱ পৰা দেখা যাব।

# প্রথম অধ্যায়

## ২.০ নলবাৰী জিলাৰ পৰিচয়-

নলবাৰী অসমৰ এখন প্ৰশাসনিক জিলা। পূৰ্বতে কামৰূপ জিলাৰ মহকুমা হিচাপে চিহ্নিত নলবাৰীক ১৯৮৫ চনত জিলা হিচাপে ঘোষণা কৰা হয়।

### নলবাৰী জিলাৰ চাৰিসীমা-

উত্তৰে বাক্সা জিলা, পূবে দৰং জিলা আৰু কামৰূপ জিলা, দক্ষিণে ব্ৰহ্মপুত্ৰ নদী, পশ্চিমে বৰপেটা জিলা।

নলবাৰী অসমৰ অন্যতম প্ৰাচীন জনবসতি অঞ্চল। এই জনবহুল ঘনবসতি অঞ্চলটোৰ এক দীঘলীয়া ইতিহাস আছে। প্ৰাচীন কালত বিভিন্ন ভৌগোলিক আৰু আৰ্থ সামাজিক কাৰণত জন বসতি সমূহ নৈৰ পাৰত গঢ়ি উঠিছিল। নলবাৰী গঢ়ি উঠিছিল নোৱা নদীৰ পাৰত। এই খৰস্ৰোতা নোৱা নদীখন বৈ গৈছিল উত্তৰৰ পৰা দক্ষিণলৈ বৰ্তমানৰ নলবাৰী চহৰৰ সো মাজেৰে পুৰণি চৰকাৰী গৰ্ল্চ স্কুল আৰু বৰ্তমানৰ জিলা পুথি ভঁৰালৰ পশ্চিমে থকা নলবাৰী গাঁওৰ মাজেৰে। নোৱা নদীৰ পাৰত বৰ্তমানৰ জাপাৰকুচি অঞ্চলটো আছিল জলাশয় জাপাৰকুচি বিল। সময়ৰ সঠিক তথ্য পোৱা নাযায় যদিও এই জাপাৰকুচি বিলখন এক বৰ ভূঁইকপৰ ফলত প্ৰায় ১৮৯৭ চন মানত বাম হৈ পৰে আৰু সময়ৰ সোঁতত নল খাগৰিৰে

আবৃত হয়। বিভিন্ন তথ্য বিশ্লেষণ কৰি অনুমান কৰিব পাৰি যে ১৮৪৬ চনৰ আগে পাছে এই অঞ্চলটোৰ নাম নলবাৰী কৰা হৈছিল।

নলবাৰী জিলাৰ ভৌগোলিক আয়তন ২০৪৫.৬৬ বৰ্গ কিলোমিটাৰ। ২০১১ চনৰ লোকপিয়লমতে মুঠ জনসংখ্যা ১১,৪৮,৮২৪ জন।

১৮৮৮ চনত নলবাৰী ৰাজহ চক্ৰ স্থাপন কৰা হয় আৰু খাটা, বাহজানী, ধৰ্মপুৰ, পকোৱা আৰু বাতা: হগিলা এই ৫খন মৌজা ইয়াৰ অন্তৰ্ভুক্ত হয়। ১৮৮৮ চনতে বৰ্তমান শ্বহীদ মুকুন্দ কাকতি চিকিৎসালয় স্থাপন কৰা হয়। ১৯০৫ চনত নলবাৰী ৰেল ষ্টেচন স্থাপিত হয়।

নলবাৰী জিলাৰ উত্তৰৰ পৰা দক্ষিণলৈ টিহু মৰা পাগলদিয়া আদি উপনৈবোৰ বৈ আহি দক্ষিণৰ ব্ৰহ্মপুত্ৰ নদীত মিলিত হৈছে।

নলবাৰী জিলাত বহুতো পুৰণি মঠ মন্দিৰ, মছজিদ আদি আছে। উদাহৰণ স্বৰূপে বিলেশ্বৰ মন্দিৰ, বৰ মছজিদ, বিলেশ্বৰ দেৱালয় আদি। ইয়াৰ উপৰিও সমন্বয় আৰু মহামিলনৰ সেতু গঢ়া নলবাৰীৰ শ্ৰী শ্ৰী হৰি মন্দিৰৰ ৰাস মহোৎসৱ এক পবিত্ৰ তীৰ্থভূমি। এই ৰাস মহোৎসৱত সকলো লোক আনন্দত মতলীয়া হয়।

২.১ খাটাবাৰী গাঁৱৰ পৰিচয়:

নলবাৰী জিলাৰ পূব ফালে থকা এখন লেখত লবলগীয়া গাঁও হৈছে খাটাবাৰী। গাওঁখনত বিভিন্ন ভাষা ভাষী লোক আছে। সকলোৱে মিলা প্ৰীতিৰে বসবাস কৰি আহিছে।

গাওঁখনৰ চাৰিসীমা হৈছে-

পূবে দিঘেলী গাওঁ, পশ্চিমে বৰ মছজিদ, উত্তৰে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ, দক্ষিণে বিদ্যাপুৰ।

খাটাবাৰী গাওঁখনত চাৰিখন বিদ্যালয়ৰ লগতে এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ও আছে। উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ নাম হৈছে দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়। এই বিদ্যালয়খন ১৯৫০ চনত স্থাপিত হৈছিল। এই বিদ্যালয়খনত নিজৰ গাওঁৰ লগতে অন্য গাওঁৰ পৰা ল'ৰা ছোৱালী আহি শিক্ষা গ্ৰহন কৰে। গাওঁখনত থকা বিদ্যালয় সমূহত বিভিন্ন উৎসৱৰ অনুষ্ঠান চলে। যেনে- স্বাধীনতা দিৱস, গনৰাজ্য দিৱস, শিক্ষক দিৱস, সৰস্বতী পূজা আদি।

গাওঁখনত বিভিন্ন উৎসৱ পাৰ্বন চলে। যেনে- হিন্দুসকলে শিৱৰাত্ৰীৰ দিনা শিৱ পূজা পাতে,

মুছলমান সকলে ঈদ, মুহৰম আদি পালন কৰে। মাৰোৱাৰী সকলে দেৱালী পালন কৰে। আনহাতে অসমৰ জাতীয় উৎসৱ বিহু সকলোৱে একত্ৰিত হৈ পালন কৰে।

২.২ গাঁৱৰ ভৌগোলিক স্থিতি, সীমা আৰু মাটিকালিঃ

মাটিবাৰী গাঁওখনৰ পূবে দিঘেলী গাওঁ, পশ্চিমে বৰ মছজিদ, উত্তৰে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ, দক্ষিণে বিদ্যাপুৰ।

গাওঁখনৰ মাটিকালি প্ৰায় ১০৫৫/৫

২.৩ গাঁৱৰ জনসংখ্যা :

গাওঁখনত প্ৰায় ২ হেজাৰ লোক বসবাস কৰিছে। (তথ্যদাতা মইনুল হক)

২.৪ গাঁৱৰ জীৱিকা :

গাওঁখনৰ জীৱিকাৰ বিষয়ে কবলৈ গলে একে আষাৰে কোৱাটো সম্ভৱ নহয়। কিয়নো আমাৰ গাওঁখনৰ লোকসকলে কৃষিকৰ্ম, ব্যৱসায়, চাকৰি কৰি নিজৰ লগতে নিজৰ পৰিয়ালটোও পোহপাল দি আছে। কিন্তু বেছি ভাগ লোকে ব্যৱসায়ৰ লগত জড়িত।

২.৫ গাঁৱৰ ধৰ্ম

আমাৰ গাওঁখনে ধৰ্মৰ ক্ষেত্ৰত সদায়ে মিলাপ্ৰীতীৰে চলি আহিছে। আমাৰ গাওঁখনত হিন্দু-মুছলিম লোকে একতাৰে বসবাস কৰিছে। হিন্দুৰ উৎসৱ-পাৰ্বন আদিত মুছলমান সকলে সহায় সহযোগিতা আগবঢ়ায় আনহাতে মুছলমানৰ পৰ্বতো হিন্দু সকলে সহায় সহযোগিতা আগবঢ়ায়। মুঠতে গাওঁখনে ধৰ্মৰ ক্ষেত্ৰত সদায়ে একতা ৰক্ষা কৰি আহিছে।

২.৬ গাঁৱৰ প্ৰসিদ্ধ স্থান:

আমাৰ গাওঁখনত প্ৰসিদ্ধ স্থান বুলিলে মন্দিৰ আৰু মছজিদ আছে। মন্দিৰ অনুযায়ী বিভিন্ন পূজা পাতাল কৰা হয় আৰু মছজিদত নামাজ পঢ়াৰ লগতে শিশু সকলক আৰবী শিক্ষা দিয়া হয়।

২.৭ গাঁৱৰ ভাষা:

আমাৰ গাওঁত বিভিন্ন ভাষাৰ লোক আছে। অসমীয়া, বঙালী, মাৰোৱাৰী ইত্যাদি। কিন্তু প্ৰায় সংখ্যক লোক অসমীয়া। আমাৰ গাওঁখনৰ লোকে কথিত ভাষা কয় যদিও মাৰোৱাৰী লোক সকলৰ লগত হিন্দী ভাষা কয়।

# দ্বিতীয় অধ্যায়

৩.০ সংস্কৃতিৰ স্বৰূপঃ

অংস্কৃতিৰ স্বৰূপ বুজিবলৈ হ'লে প্ৰথমে সভ্যতাৰ স্বৰূপ বুজা আৱশ্যক, কিয়নো সভ্যতাৰ ভিতৰৰ পৰাই সংস্কৃতিৰ বিকাশ বুলি অনেকে কয়। সভ্যতা শব্দ সভ্য শব্দৰ পৰা ওলাইছে। গতিকে সভ্যতাই সভাৰ কথা মনলৈ আনে। সভাৰ উপযুক্তজনেই সভ্য আৰু তেওঁৰ আচৰণ গুণ আদিয়েই হ'ল সভ্যতা। এইদৰে চালে সভ্যতা ব্যক্তিগত বিষয় হ'ব পাৰে, কিন্তু সভ্যতাই সামূহিক অৰ্থ এটাহে বুজায়।

আনহাতে সৌন্দৰ্য স্পৃহায়েই মানুহৰ কেৱল মাত্ৰ জীৱন প্ৰয়াসক মধুৰ কৰি তুলিছে। সেই কাৰণে মানুহে যাৱতীয় জীৱন প্ৰয়াসৰ সকলো মানসিক দৈহিক আৰু বাস্তৱিক বান্ধনি-বাৰনিৰ পৰা থকা-মেলা, পিন্ধা-উৰা, চলন-ফুৰণ, আচাৰ ব্যৱহাৰ আৰু জীৱন দৃষ্টিতো সৌন্দৰ্য প্ৰয়োগ কৰিবলৈ যত্ন কৰে। সৌন্দৰ্যৰ প্ৰয়োগেই হৈছে সংস্কৃতি।

Culture is a set of rules or standards which, when acted up on by the members of a society. Produce behaviour that falls with in a range of a variance the members consider Proper and acceptable." সংস্কৃতি ব্যক্তিৰ পদ পদাংক ই ব্যক্তিক মুক্তিৰ সন্ধান

দিয়ে। আনহাতে সামাজিক অনুশাসনৰ দ্বাৰা সংস্কৃতিয়ে মানৱক নিয়ন্ত্ৰণ কৰে। (ভালুকদাৰ বুবুল, পৃষ্ঠা ১০-১১)

৩.১ সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজন:

পণ্ডিত সকলে সংস্কৃতি শব্দটোৰ ব্যৱহাৰ বিভিন্ন ধৰণৰ কৰা দেখা যায়। তদুপৰি ইয়াৰ সংজ্ঞা বিভিন্ন পণ্ডিতসকলে বিভিন্ন ধৰণে আগবঢ়াইছে,

"মিথিউ আৰনল্ডৰ মতে মাধুৰ্য্য আৰু আলোকেই সংস্কৃতি।"(শৰ্মা নবীন চন্দ্ৰ, পৃষ্ঠা ২)

দাৰ্শনিক কাছিৰাৰ আৰু সমাজ বিজ্ঞানী চৰকিন আৰু মেক্ লভাৰৰ মতে "মানৱৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই সংস্কৃতি।" (শৰ্মা নবীন চন্দ্ৰ, পৃষ্ঠা ২)

মালিনৱস্কিৰ মতে "সামগ্ৰিক জীৱন পদ্ধতিয়েই সংস্কৃতি।" (শৰ্মা নবীন চন্দ্ৰ, পৃষ্ঠা ৪)

সংস্কৃতিৰ পৰিসৰ অতিকৈ ব্যাপক। সংস্কৃতিৰ গুণ-লক্ষণ-বৈশিষ্ট্য আদিলৈ লক্ষ্য কৰি ইয়াক সাধাৰণভাৱে তিনিটা ভাগত ভগাব পাৰি: ক) অভিজাত সংস্কৃতি, খ) লোকসংস্কৃতি আৰু গ) জনজাতীয় সংস্কৃতি। প্ৰথম দুটাক সংস্কৃতিৰ উপ-সংস্কৃতি আখ্যা দিয়াহে উচিত। অভিজাত সংস্কৃতি আৰু লোকসংস্কৃতিৰ পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। (শৰ্মা নবীন চন্দ্ৰ, পৃষ্ঠা ৪০)

৩.২ অভিজাত সংস্কৃতি:

অভিজাত সংস্কৃতিক গ্ৰেট ট্ৰেডিচন আখ্যা দিব পাৰি। অভিজাত সংস্কৃতি শিক্ষিত আৰু চিন্তাশীল লোকৰ দ্বাৰা সৃষ্টি হয়, যিয়ে ব্যাখ্যা, বিশ্লেষণ আৰু নিজৰ সাংস্কৃতিক অনুভৱ ব্যক্ত কৰিব পাৰে। ইয়াৰ বিপৰীতে ৰেডফিল্ডে কৃষক সমাজৰ সংস্কৃতিক লোকসংস্কৃতি আখ্যা দিছে। তেওঁলোকৰ সংস্কৃতি হ'ল অৰ্ধ সংস্কৃতি। কৃষক সমাজৰ সমাজখন সৰু আত্মনিৰ্ভৰশীল আৰু অভিজাত সংস্কৃতিৰ পৰা দূৰত থাকে।

ভাৰতত সিন্ধু সভ্যতাৰ পিছত আৰ্যসকলে প্ৰতিষ্ঠা লাভ কৰে আৰু এওঁলোকৰ বেদ, ব্ৰাহ্মণ, পুৰাণ আদি সংস্কৃত সাহিত্যৰ অংশটোক অভিজাত সংস্কৃতিৰ সাংস্কৃতিক প্ৰকাশ বুলিব পাৰি। ৰামায়ণ, মহাভাৰতৰ সীতা আৰু দ্ৰৌপদী চৰিত্ৰৰ কাৰ্যকলাপো অভিজাত সংস্কৃতিৰ অংশ বুলিব পাৰি। পণ্ডিত সকলে মহাকাব্য দুখনৰ মূল কাহিনীটো এটা সময়ত সাধাৰণ লোকৰ মুখত লোক কাহিনী হিচাপে চলি আহিছিল বুলি অনুমান কৰে। তেনে অনামী ৰচকৰ কাহিনীটো অভিজাত সংস্কৃতিৰ লোকৰ হাতত পৰি পৰিশোধিত আৰু পৰিবৰ্দ্ধিত হৈ পুনৰ লোকসমাজৰ ওচৰলৈ ঘূৰি গৈছিল। যেয়ে ভাৰতৰ বিভিন্ন প্ৰদেশ, গাওঁ, জাতি-জনজাতিৰ মাজত মহাকাব্য দুখনৰ প্ৰভাৱ অপৰিসীম।

৩.৩ লোক সংস্কৃতি

অসমীয়া লোক সংস্কৃতি শব্দটো ইংৰাজী Folk lore শব্দৰ পৰা অহা। লেটিন ভাষী সকলে Folk শব্দটো Demos বুলি ব্যৱহাৰ কৰিছিল। ফৰাচী ভাষাত Folk lore শব্দটোৰ পৰিৱৰ্তে আগতে Demologic আৰু Demopsychologic শব্দহে ব্যৱহাৰ হৈছিল। পৰ্তুগীজ সকলে Demotica শব্দৰে Folk lore বুজাইছিল। প্ৰথমে লোক সংস্কৃতি বুজাবলৈ Popular 'antiquities' এগু বাক্যটি ব্যৱহাৰ কৰা হৈছিল। ১৮-১২ চনত জাৰ্মান ভাতৃদ্বয় জেকব গ্ৰীম আৰু উইলিয়াম জেকবে জাৰ্মান দেশৰ লোক-কথা আৰু পুৰাবৃত্ত প্ৰকাশ কৰিবলৈ লয় 'Grims Fairy tales'ত জাৰ্মান দেশৰ তেই লোককথা আৰু পুৰাবৃত্তসমূহক বুজাবলৈ তেওঁলোকে 'Valk skunde' পদটো ব্যৱহাৰ কৰিছিল। 'volk'ৰ অৰ্থ হৈছে Folk আৰু 'Skunde'ৰ অৰ্থ

হৈছে 'Lore'। (মজুমদাৰ অনিল চন্দ্ৰ, পৃষ্ঠা ১২)

আদিম অৱস্থাৰ পৰা বৰ্তমানৰ সভ্য সমাজলৈকে লোকসংস্কৃতি পৰম্পৰাগতভাৱে পৰিৱৰ্তন হৈ খুৰীয়াৰ মাজেদি জনসাধাৰণৰ মাজত প্ৰচলিত হৈ আহিছে। আদিম কালৰ পৰা জনসাধাৰণৰ মাজত অন্ধবিশ্বাস বা লোকবিশ্বাস, ৰীতি-নীতি, খেলা-ধূলা, আনকি মনৰ ভাব প্ৰকাশ কৰোতে হোৱা ধ্বনি বা শব্দবাচিক বচিতা খোৱাকে সুৰ লগাই কথা কোৱা যি পৰম্পৰা তাতেই লোক সংস্কৃতিৰ সৃষ্টিৰ মূল।

অসমীয়া লোক সংস্কৃতিৰ গৱেষক ড° নবীন চন্দ্ৰ শৰ্মাই লোক সংস্কৃতি সম্পৰ্কে কৈছে, 'লোকবিদ্যা বা লোক-সংস্কৃতি আদিম আৰু সভ্য লোকৰ পৰম্পৰাগত সৃষ্টি। লোক বিশ্বাস, আচাৰ-অনুষ্ঠান, পৰিৱেশ্য কলা, নৃত্য, অভিনয় আদিও লোক সংস্কৃতিৰ পৰিসৰে সামৰে। ইয়াৰ উপৰি লোক-সংস্কৃতি লোকৰ পৰম্পৰাগত বিজ্ঞান নহয়। পৰম্পৰাগত লোক-বিজ্ঞান আৰু লোক কবিতাহে।'

(মজুমদাৰ অনিল চন্দ্ৰ, পৃষ্ঠা ১৩)

৩.৪ জনজাতীয় সংস্কৃতি:

নির্দিষ্ট ভৌগোলিক সীমা ৰেখাৰ মাজত যিসকল লোকে দূৰ অতীতৰ পৰা বসবাস কৰি আহিছে, যিসকলৰ স্বকীয় ভাষা, স্বকীয় সংস্কৃতি আৰু স্বকীয় অৰ্থনীতি আছে, যিসকলৰ জীৱন-যাৱন প্ৰণালীত আন সংস্কৃতিৰ প্ৰায় প্ৰভাৱ পৰা নাই-তেনে নৃ-গোষ্ঠীক জনজাতি বা ট্ৰাইবেল গ্ৰুপ বোলে আৰু তেওঁলোকৰ বিদ্যা বা জ্ঞান বা কৃষ্টিক জনজাতীয় সংস্কৃতি বুলিব পাৰি।

অসমত বৰো, ৰাভা, মিচিং, কাৰ্বি, দেউৰী, তিৱা, ডিমাছা আদি জনজাতীয় লোক আছে। আধুনিকতাৰ দ্বাৰা এওঁলোকৰ সমাজ আৰু সংস্কৃতিৰ পৰিৱৰ্তন ঘটিলেও তেওঁলোকে নিজা নিজা সাংস্কৃতিক পৰিচয় অব্যাহতভাৱে ৰক্ষা কৰিছে। সেইহে বৰোসকলৰ জীৱন-সমাজ-সংস্কৃতিৰ সৈতে ৰাভাৰ জীৱন সমাজ-সংস্কৃতিৰ সামগ্ৰিক আৰু পূৰ্ণ সাদৃশ্য পৰিলক্ষিত নহয়, তদ্ৰূপ ডিমাছা জীৱন-সমাজ-সংস্কৃতিৰ লগত মিচিংসকলৰ জীৱন-সমাজ-সংস্কৃতিৰ মিল নাই। তেওঁলোকৰ বাসস্থানৰ ক্ষেত্ৰতো মিল নাই, মিল নাই ভাষা আৰু অৰ্থনীতিৰ ক্ষেত্ৰতো।

প্ৰসংগ পুথি :

নেওগ, হৰিপ্ৰসাদ, গগৈ, লীলা (সম্পা)। অসমৰ সংস্কৃতি। অসম সাহিত্য সভা। বনলতা, ডিব্ৰুগড়-১। ২০০৩

তালুকদাৰ, বুবুল। অসমৰ সংস্কৃতি। ইউনিয়ন বুক পাব্লিকেচন। পানবজাৰ গুৱাহাটী-৫। ২০২০

শৰ্মা, নবীন চন্দ্ৰ। অসমীয়া লোক সংস্কৃতিৰ আভাস। শ্ৰীগিৰিপদ দেৱ চৌধুৰী বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড। পানবজাৰ গুৱাহাটী।২০১১

মজুমদাৰ, অনিল চন্দ্ৰ। অসমীয়া সাহিত্যত লোক সাংস্কৃতিক অমল (চৰ্যাপদৰ পৰা সাম্প্ৰতিক কাললৈ)। যশোৱন্ত ৰোড পানবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয় সমীপত। পানবজাৰ গুৱাহাটী ১। ২০২০

বৰা, ৰমেশ। অসমীয়া আৰু বড়ো জনগোষ্ঠীৰ লোক বিশ্বাস আৰু লোকাচাৰ এটি তুলনামূলক অধ্যয়ন, গৱেষণা পত্ৰ। গুৱাহাটী বিশ্ববিদ্যালয়। ২০১৮

# তৃতীয় অধ্যায়

৪.০ লোকাচাৰঃ

নানা জাতি উপজাতিৰে ভৰা আমাৰ অসম নদ-নদী, পৰ্বত-পাহাৰ, সুবিস্তীৰ্ণ শ্যামলিমা আৰু ফটিক পানীৰ জান-জুৰিয়ে যিদৰে অসমখন মনোমোহা কৰি ৰাখিছে ঠিক সেইদৰে ৰাজ্যখনৰ জাতি জনগোষ্ঠীসমূহৰ ঐতিহ্যপূৰ্ণ তথা বৰ্ণময় লোকসংস্কৃতি আৰু লোকাচাৰেও ইয়াক অতীজৰে পৰা বাৰেৰহণীয়া কৰি ৰাখিছে। অতীজৰে পৰা মানুহৰ মাজত পৰম্পৰাগতভাৱে চলি অহা নাইবা একত্ৰবদ্ধ কৰি ৰখা নানা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰেই হৈছে লোকাচাৰ।

৪.১ লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপঃ

লোকাচাৰৰ ইংৰাজী প্ৰতিশব্দ হৈছে ritual. লোকাচাৰ হৈছে অনুমান, শব্দ, কাৰ্য্য নাইবা পূজনীয় বস্তুৰ সৈতে জড়িত কিছুমান কাৰ্য্যকলাপৰ শৃংখল। ইংৰাজী শব্দ ritual লেটিন ভাষাৰ ritualis শব্দৰ পৰা উদ্ভৱ হৈছে। ইয়াৰ অৰ্থ হৈছে যি আচাৰৰ সৈতে সম্পৰ্কিত,"

'মইক' ভাৰ' আৰু 'পেজৰ' মতে, যেতিয়া
জনৰীতিবোৰ সিইঁতৰ লগত শুদ্ধ বা
আত্মিক কল্যাণৰ ধাৰাৰ সংযোগ
কৰে তেতিয়া সিইঁত লোকাচাৰলৈ

ৰূপান্তিত হয়।' আনহাতে 'গিলিন'ৰ মতে 'লোকাচাৰ হনে কিছুমান প্ৰথা আৰু সামাজিক কাৰ্যক্ৰম, যিবোৰৰ সমাজৰ সদস্য সদস্য সকলে সমূহৰ বা সমাজৰ অবিৰত স্থিতিৰ বাবে প্ৰয়োজনীয় বুলি ভাবে।' (বৰা, ৰমেশ, পৃষ্ঠা ৩৪)

লোকাচাৰবোৰ লোকবিশ্বাসৰ ভিত্তিত সৃষ্টি হয়। গতিকে কব পাৰি যে আদিম মানৱে সম্ভোগত নানান অভিজ্ঞতাৰ ফলত লোকাচাৰৰ সৃষ্টি হৈছে। লোকাচাৰৰ লগত লোকবিশ্বাসৰ এক গভীৰ নোৱাৰা সম্পৰ্ক আছে। আদিম মানৱক প্ৰকৃতিৰ ভয়াৱহ দৃশ্য বিস্মিত কৰি তুলিছিল। প্ৰকৃতিৰ এনে ভয়াবহ দৃশ্যৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে বিভিন্ন পূজা-পাতাল কৰিছিল। যেতিয়াৰ পৰা মানুহে প্ৰকৃতিৰ বুকুত অসহায় যেন অনুভৱ কৰিলে, তেতিয়াৰ পৰা লোকাচাৰৰ জন্ম হ'ল বুলি কব পাৰি।

৪.২ লোকাচাৰৰ সৈতে আৰ্থসামাজিক, সামাজিক আৰু বৈজ্ঞানিকৰ সম্পৰ্ক :

ব্যক্তিৰ সমষ্টিয়ে হৈছে সমাজ। ব্যক্তিয়ে কোনো বিষয়ত সামাজিক স্বীকৃতি লাভ কৰে সমাজৰ জৰিয়তে। ব্যক্তিয়ে সমাজৰ মাধ্যমেৰে সামাজিক আচৰণ শিকে। সমাজ এখনৰ ভাব চিন্তা মূল্যবোধ আদিৰ যোগেদি এজন ব্যক্তিয়ে

আন ব্যক্তিৰ সৈতে মিলি যাব পাৰে। সভ্যতাৰ আৰম্ভণিৰে পৰাই মানুহে দল বান্ধি বসবাস কৰিছিল। ইয়াৰ জৰিয়তে একো একোটা দল, শ্ৰেণী নাইবা জনগোষ্ঠীৰ সৃষ্টি হৈছিল। সমাজ পাতি বসবাস কৰাৰ ফলত তেওঁলোকৰ কাম কৰাত সুবিধা হৈছিল। যৌথ শ্ৰমৰ দ্বাৰা উৎপাদন সহজ আৰু যৌথ ভাৱে কৰা ভোগ অথবা অৰ্থনৈতিকভাৱে সম্পৰ্কক দৃঢ় কৰে। তেনেদৰে মানুহে উৎপাদৰ কৰ্মকাণ্ডৰ লগত লগ হৈ বহুক্ষেত্ৰত আনুষ্ঠানিকভাৱে লোকাচাৰ পালন কৰিবলৈ ধৰিলে। আনহাতে সমাজ স্থাপনৰ ফলত তেওঁলোকে নিজৰ মাজত সংহতি একতা স্থাপন কৰিব পাৰিছিল। যি প্ৰক্ৰিয়াৰ দ্বাৰা ব্যক্তিয়ে সমাজত সংহতি স্থাপন কৰে সেই প্ৰক্ৰিয়াটোকে সামাজিকৰণ বোলে।

এই সমাজ ব্যৱস্থা বা সামাজিকৰণ প্ৰক্ৰিয়াৰ সৈতে জড়িত হৈ আছে আৰ্থ- সামাজিক দিশ। মানুহৰ চিকাৰ জীৱী জীৱনৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ উদ্যোগিক জীৱনলৈ সমাজে অৰ্থনৈতিক পৰিৱৰ্তন আনিছে। আহাৰ গ্ৰহণ প্ৰণালীৰ পৰিৱৰ্তনৰ ফলত মানুহ অৰ্থনৈতিক আৰু সামাজিকভাৱে সভ্য হৈ পৰিছে। আদিম যুগৰ পৰা সমাজ পাতি বসবাস কৰাৰ ফলত যিবোৰ ৰীতি-নীতি অথবা ক্ৰিয়া কাণ্ডৰ সৃষ্টি হ'ল তাৰ নামেই লোকাচাৰ। মাছ মৰা, চিকাৰ খতি আদি লোকাচাৰৰ পৰিৱৰ্তনে অৰ্থনৈতিক দিশত প্ৰভাৱ পেলাইছে।

আনহাতে পাৰস্পাৰিক সহযোগিতাৰ ফলত অথবা গোষ্ঠী পৰিয়ালৰ সম্পৰ্কৰ বান্ধোনে অৰ্থনৈতিক সহযোগিতা লাভ কৰাৰ ক্ষেত্ৰত বিশেষ সহায় কৰিছে।

লোকাচাৰৰ লগতে আৰ্থসামাজিক আৰু সামাজিকৰ সম্পৰ্ক থকাৰ দৰে বৈজ্ঞানিক সম্পৰ্কও আছে। বৰ্তমান যুগটো হৈছে বৈজ্ঞানিক যুগ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই যুক্তি সহকাৰে প্ৰমাণ দিব নোৱাৰিলে তাক অন্ধ বিশ্বাস বুলি কয়। উদাহৰণ স্বৰূপে বড়ো বাথৌ ধৰ্মী সকলে সিজু গছক ভগৱানৰ প্ৰতীক হিচাপে পূজা কৰি আহিছে। কিন্তু বিজ্ঞান সন্মত দৃষ্টিৰে চালে দেখা যায় যে সিজুগছ বজ্ৰপাত প্ৰতিৰোধকাৰী বৃক্ষ।

৪.৩ লোকাচাৰৰ বিভাগ :

লোকাচাৰক চাৰিটা ভাগত ভাগ কৰিব পাৰি সেয়া হৈছে -

ক) লোক ধৰ্ম

খ) উৎসৱ- অনুষ্ঠান

গ) অৱসৰ বিনোদন আৰু খেল ধেমালি

ঘ) লোক ঔষধি।

৪.৪ অসমৰ আৰু নলবাৰীৰ লোকাচাৰ:

অসমীয়া লোকাচাৰ অতি প্ৰাচীন কালৰে পৰা অসমত প্ৰচলিত হৈ আহিছে। অসমৰ প্ৰায় ভাগ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিজীৱী লোক সমাজে সততে নিজৰ বা সমাজ জীৱন আগবঢ়াই নিবলৈ সহায় লয় লোক উৎসৱ, লোক খেল-ধেমালি, লোক ঔষধি-চিকিৎসা বা লোকধৰ্মৰ।

বৃক্ষ পূজাকেন্দ্ৰিক লোকাচাৰ আমাৰ বাবে সুলভ। ই মূলতঃ জনগোষ্ঠীয় চিন্তাৰ ফল। বিভিন্ন জনগোষ্ঠীয়ে গছক পূজা কৰে। ভেঠেলি, সুঁৱাৰি আদি পনে উৎসৱৰ উদাহৰণ। বৰ্ণাহিন্দুৰ বালিকটা দা'ৰ ওপৰত নচা আৰু বাঁহৰ জুইৰ ওপৰত নচা সমধৰ্মী। জৰাফুঁকা জইনী, যখিনি, বীৰা আদি চিন্তা চেতনা অসমীয়া সমাজৰ একাধিক নৃগোষ্ঠীৰ মাজত জীপালে আৰু ইয়াৰ লোকাচাৰ অপৰিছ।

আনহাতে নামনি অসমত বিশেষকৈ নলবাৰী জিলাত কৃষিৰ ক্ষেত্ৰত লোকাচাৰ সমূহ জড়িত হোৱা দেখা যায়। খেতিৰ বাবে বৰষুণ প্ৰয়োজন। বৰষুণ নহ'লে ধান ৰোৱাৰ বাবে পথাৰত পানীৰ অভাৱ হয়। কেতিয়াবা কেতিয়াবা খেতিৰ সময়ত বিশেষকৈ আহাৰ-

শাওন মাহত ১৫/২০ দিনলৈ বৰষুণ নোহোৱাকৈ থাকে। তেনে অৱস্থাত এই বৰষুণক কেন্দ্ৰ কৰি এটা লোক বিশ্বাস হৈছে ভেকুলিৰ বিয়া। আহাৰ শাওন মাহত বৰষুণৰ অভাৱ হ'লে কৃষিজীৱি অসমীয়াই দুটা ভেকুলী ধৰি আনি এজনীক কইনা আৰু আনটোক দৰা পাতি দুঘৰ মানুহৰ ঘৰত থয়। ইয়াৰ পিছত যথা নিয়মে পানী তুলি, হোম কৰি নোৱাই-ধোৱাই বিয়া পাতি দিয়ে। বিয়াৰ সময়ত ভেকুলীয়ে টোৰটোৰালে আকাশত মেঘ স্তুপীকৃত হয় আৰু ধাৰাসাৰে বৰষুণ দিয়ে বুলি এটা বিশ্বাস প্ৰচলিত আছে।

নলবাৰী জিলাত প্ৰচলিত আন এটা লোকাচাৰ হৈছে ম'হ খেদা। মানুহে বিশ্বাস কৰে যে আঘোন মাহৰ পূৰ্ণিমা তিথিত ম'হ খেদা গীত গালে গৃহস্থৰ ঘৰত ম'হ কমে। জীৱ-জন্তু, চৰাই-চিৰিকটি, গছ-গছনি আদিক লৈও বহুতো লোকাচাৰ প্ৰচলিত আছে। যেনে- মানুহ এটা কৈ থকা অৱস্থাত মেকুৰী আগেৰে পাৰ হ'লে মানুহটো তিনিখোজ পিছুৱাই যায়। এইটো এটা লোকবিশ্বাস যে তেনেকুৱা কৰিলে যদি কিবা বিপদ হব লগা আছে তোয়া নহয়। ৰাতি ফেঁচাই নিট নিট শব্দ কৰিলে মানুহ মৰে বুলি কয়। আনহাতে মানুহে বেয়া সপোন দেখিলে গছৰ আগত পানী ঢালিলে সপোন

নুস্কুলে বুলি বিশ্বাস কৰে।

৪.৫ খটাবাৰী গাঁৱৰ লোকাচাৰঃ

খটাবাৰী গাওঁখনত বিভিন্ন ধৰণৰ লোকাচাৰ আৰু লোকবিশ্বাস প্ৰচলিত আছে। যেনে ভূমিকম্প আহিলে আৰু পৰুৱা বেছিকৈ ওলালে বানপানী হয় বুলি বিশ্বাস কৰে। গাওঁখনত জন্ম, মৃত্যু বিবাহ সম্পৰ্কে অধিক লোকাচাৰ প্ৰচলিত।

প্ৰসংগ পুথিঃ

বৰা ৰত্নেশ্বৰ। অসমীয়া আৰু বড়ো জনগোষ্ঠীৰ লোক বিশ্বাস আৰু লোকাচাৰ এটি তুলনামূলক অধ্যয়ন, গৱেষণা পত্ৰ। গুৱাহাটী বিশ্ববিদ্যালয়। ২০১৮

# চতুর্থ অধ্যায়

## ৬.০ থাটাবাৰী গাঁৱৰ জন্মসম্পৰ্কীয় লোকাচাৰ :

মানৱ সমাজত লোকাচাৰ সমূহৰ বিশেষ গুৰুত্ব আছে। জন্ম সম্পৰ্কীয় লোকাচাৰ সমূহ সাধাৰণতে নাৰীৰ সৈতে বেছিকৈ জড়িত। স্ত্ৰীজনিত লোকাচাৰ সমূহে এগৰাকী নাৰীৰ জীৱনৰ আদিৰ পৰা অন্তলৈ সামৰি লৈ কেইবাটাও ভাগত বিভক্ত হৈ থাকে। নাৰীক ভাৰতীয় সমাজত দেৱী ৰূপে জ্ঞান কৰা হয়। কিয়নো নাৰীৰ মাজতে লুকাই আছে মাতৃত্বৰ দৰে গৌৰৱ। মাতৃ এগৰাকীৰ গৰ্ভত স্থিতি লোৱা এটি ভ্ৰূণে তিল তিলকৈ বাঢ়ি অৱশেষত এটি শিশু ৰূপে জন্ম গ্ৰহণ কৰে। গৰ্ভধাৰণৰ এই সময়ছোৱাত আমাৰ গাঁৱত অৰ্থাৎ ইছলাম ধৰ্মত কিছুমান লোকাচাৰ প্ৰচলিত আছে।

## ৬.১ গৰ্ভাৱস্থাৰ লোকাচাৰ :

গৰ্ভাৱস্থাৰ ক্ষেত্ৰত ইছলাম ধৰ্মত বিভিন্ন আচাৰ অনুষ্ঠান পালন কৰা নহয় যদিও কিছু কিছু নীতি নিয়ম পালন কৰা দেখা যায়। সন্তান জন্মৰ আগ মুহূৰ্তটো অৰ্থাৎ গৰ্ভাৱস্থাত থকাৰ সময়ত মাতৃগৰাকী সাৱধানে চলি ফুৰাৰ লগতে অনাগত সন্তানটিৰ মংগল কামনা কৰিও কিছু কৃত্য পালন কৰা হয়। পৰম্পৰাগত সংস্কাৰ অনুসৰি এই সময়

যিনিত গৰ্ভৱতী তিৰোতাক জীয়া মাছ আদি নিজে মাৰিবলৈ দিয়া নহয়। আনকি দেউতাককো জীৱ-জন্তুৰ প্ৰাণ লোৱা নিষেধ কৰা হয়, কাৰণ জীৱ হত্যা কৰিলে গৰ্ভস্থ সন্তানো নষ্ট হয় বুলি ভবা হয়। সন্তান গৰ্ভত থকা সময়ছোৱাত মাতৃয়ে যদি সৎ চিন্তা, সৎ আদৰ্শ আৰু সৎ সংগলৈ থাকে তেনেহলে সন্তানো সৎ হয় বুলি বিশ্বাস কৰা হয়। আনহাতে লোক সমাজে গৰ্ভৱতী তিৰোতাক নানা শিকনি দিয়ে। যেনে- গৰ্ভাৱস্থাত খং-ৰাগ, দুচিন্তা, বেয়া দৃশ্য চোৱা, নিশা অকলে বাহিৰলৈ যোৱা আদি কৰ্মৰ পৰা বিৰত থাকিবলৈ সজাগ কৰে।

গৰ্ভাৱস্থাত থকা তিৰোতা গৰাকীৰ সাত মাহত এটি পৰ্ব পালন কৰা হয়। তিৰোতা গৰাকীৰ সাত মাহত মাকৰ ঘৰৰ পৰা শহুৰৰ ঘৰলৈ ৰান্ধনি হলৰ সকলোবোৰ বস্তু যেনে- চাউল, দালি, নিমখ, মিঠাতেল ইত্যাদি বস্তুবোৰ লৈ গৈ ভাত হব লগা মাক আৰু দেউতাকক এসাজ খুৱাই খুৱাই। আনহাতে মাতৃ আৰু দেউতাকক মাকৰ ঘৰৰ পৰা নতুন কাপোৰ দিয়া হয়।

৫.২ প্ৰসৱৰ সময়ৰ লোকাচাৰ:

প্ৰসৱবেদনা আৰম্ভ হোৱাৰ লগে লগে তিৰোতা জনীক বিচনাত শুৱাই দিয়া হয় আৰু গাঁৱৰে অভিজ্ঞ তিৰোতাই প্ৰসূতিক সহায় কৰিবলৈ আহে। প্ৰসূতিৰ ঘৰত

মণ মানুহ বাদেই সকু ল'ৰা-ছোৱালীবো প্ৰৱেশ নিষিদ্ধ থাকে। প্ৰসৱ যাতে সুকলমে হয় নতুবা প্ৰসূতিয়ে যাতে কষ্ট নাপাই তাৰ বাবে বেজ বা ওজাৰ পৰা তেল-পানী জাৰি আনি দিয়া হয়। কেঁচুৱাৰ জন্মৰ পিছত নাড়ীজল বাঁহৰ চেঁচুৰে কটা হয়। নাড়ী কটাৰ ক্ষেত্ৰত হাতৰ গুনাগুণৰ ওপৰত গুৰুত্ব দিয়া হয়।

৫.৩ প্ৰসৱৰ পিছৰ লোকাচাৰ:

শিশুটিৰ জন্মৰ লগে লগে পৰিয়ালৰ কোনোবা এজন সদস্যই শিশুটিৰ কাণত সৰুকৈ আজান দিয়ে। যাতে শিশুটি গম পাই যে সি ইছলাম ধৰ্মত জন্ম লৈছে। পিছত ঘৰলৈ আনি গা-পা ধুৱাই দিয়ে। ঘৰলৈ অহাৰ পিছত শিশুটি আৰু মাতৃগৰাকী যিটো ৰুমত থাকে সেই ৰুমটোত বাহিৰৰ পৰা অহা লোকক যেনেকৈ তেনেকৈ সোমোৱাবলৈ দিয়া নহয়। কাৰণ এইটো এটা লোকবিশ্বাস যে তেনেকৈ কোঠালৈ সোমালে বাহিৰৰ অপদেৱতাই মাতৃ আৰু শিশু গৰাকীক কিবা হানি বিঘিনি ঘটাব পাৰে। প্ৰায় এমাহ মান বাহিৰৰ পৰা অহা লোকে জুইত হাত সেকি শিশুটোৰ ওচৰলৈ যাব লাগে। মাতৃক লগত এখন চুৰিও লৈ থাকিবলৈ দিয়া হয়। বেজ বা ওজাৰ পৰা সৰিয়হ আৰু যাপ জাৰি অনা হয়। জাৰি অনা সৰিয়হখিনি ৰুমটোৰ

ভিতৰৰ চাৰিওফালে চটিয়াই দিয়া হয় আৰু যাপ দুপাল মাহ আৰু শিশুটিক পিন্ধাই দিয়া হয়। কাৰণ এইটো এটা লোক বিশ্বাস যে এইখিনি কৰিলে বাহিৰৰ অপদেৱতাই একো ক্ষতি কৰিব নোৱাৰে।

৫.৪ দাঁত গজা :

ইছলাম ধৰ্মত দাঁত গজা বিশেষ নিয়ম নাই যদিও শিশুটিৰ যিমান মাহত দাঁত গজে সিমানবিধ ফল ভগাই দিয়া হয়। অৰ্থাৎ ৬ মাহত গজিলে ৬ বিধ ফল ওচৰ চুবুৰীয়াৰ লোকক ভগাই দিব লাগে।

৫.৫ চুলি কটা :

শিশুটিৰ পাচতিৰ দিনা অৰ্থাৎ জন্মৰ ৭ বা ২১ দিনৰ দিনা পাচতি পতা হয়। পাচতিৰ দিনা শিশুটিৰ চুলি কটা হয় আৰু ওচৰ চুবুৰীয়াৰ লোকক বুট, চাউল, নাৰিকল, ফল-মূল ইত্যাদি বস্তুবোৰ ভগাই দিয়া হয়।

৫.৬ অন্নপ্ৰাশন :

অন্নপ্ৰাশনক আমাৰ গাঁৱত ভাত মুখত দিয়া বুলি কোৱা হয়। ইছলাম ধৰ্মত অন্নপ্ৰাশন বহুত ডাঙৰ কৈ পতা নহয় যদিও শিশুটিৰ ছমাহ হৈ যোৱাৰ পিছত ভাল দিন বাৰ চাই ভাত মুখত দিয়া পতা হয়। সাধাৰণতে

ভাত মুখত দিয়া পৰ্বটোত শিশুটিক মোমায়েক ভূতৰ ঘৰৰ পৰা অনা পায়স খুৱাই আৰম্ভ কৰা হয়। সেইদিনাৰ পৰা শিশুটিক সকলোবোৰ ব্যঞ্জন খুৱোৱা হয়।

৫.৭ মাতৃ আৰু কেঁচুৱাৰ ৰোগৰ সময়ৰ লোকাচাৰ:

জন্মৰ কেইদিনমানৰ ভিতৰতে কেঁচুৱাৰ নাড়ী সৰে। সৰা 'নাই'টো ভালদৰে ধুই পৰিষ্কাৰ কাপোৰেৰে বান্ধি থৈ দিয়া হয়। কাৰণ কেঁচুৱাটোৰ পেট বিষালে 'নাই' টো ধুই পানী খুৱালে বিষ ভাল হয় বুলি বিশ্বাস কৰা হয়। কেচুৱাটোৰ জ্বৰ চৰ্দি হ'লে মাকক ঠাণ্ডা জাতীয় বস্তু খাব দিয়া নহয়।

৫.৮ অন্যান্য:

আমাৰ গাঁৱত আন দুটি পৰ্ব পালন কৰা হয়। সেয়া হৈছে ল'ৰা সন্তানৰ মুছলমানি আৰু ল'ৰা-ছোৱালী উভয়েৰে আকিকা।

জন্মৰ পৰা ৭-১২ বছৰৰ ভিতৰত ল'ৰা সন্তানৰ মুছলমানি কৰা হয়। ইছলাম ধৰ্মত ল'ৰা সন্তানৰ মুছলমানি কৰিবই লাগে কিয়নো এইটো সুন্নত বুলি কোৱা হয়। ল'ৰাটোক যিদিনা মুছলমানি কৰে সিদিনাৰ

পৰা চাৰি দিন বাহিৰত ওলাব নোৱাৰে। বাহিৰত ওলালেও ঘৰৰ চোতালতে থাকিব লাগে। শৌচ-পেচাব চেৰাই যাব নাপায়। ল'ৰাটোৰ ভৰিত চুলি আৰু শুকান জলকীয়া বান্ধি দিয়া হয় যাতে গৰল নালাগে। এইটো এটা লোকবিশ্বাস যে চুলি আৰু শুকান জলকীয়া বান্ধি দিলে গৰল নালাগে আৰু বেয়া বস্তুই আক্ৰমণ কৰিব নোৱাৰে। মুছলমানি কৰা চাৰিদিনৰ দিনা ল'ৰাটোক গা ধুৱায় আৰু ওচৰ-চুবুৰীয়া আৰু পাৰিয়াল বৰ্গক মাতি এআজ খুৱোৱা হয়।

আনহাতে আকিকা হৈছে নবজাত শিশুৰ জন্ম উপলক্ষে প্ৰাণী কুৰবানী কৰা এটা ইছলামী প্ৰথা। এইটো মুছলমানসকলে ব্যাপকভাৱে পালন কৰে আৰু শিশুটিৰ বাবে এটি ছাগলী জবাই কৰে আৰু ছাগলীটোৰ মাংস গৰীবক ভগাই দিয়ে। এইটো ইছলাম ধৰ্মত সুন্নাত হিচাপে বিবেচিত হয়। সন্তানৰ মংগৰ কাৰণে ওচৰ-চুবুৰীয়া আৰু পাৰিয়াল বৰ্গৰ কাৰণে এটি ভোজৰ আয়োজন কৰা হয়। যদিহে সন্তানৰ অভিভাৱক সন্তানৰ কাৰণে এটি ছাগলী জবাই কৰাৰ অক্ষম হয়। তেতিয়াহে তেওঁলোকে এইটো কৰা উচিত।

৫.৯ জন্ম সম্পৰ্কীয় লোকাচাৰৰ পৰিবৰ্তন আৰু বিশ্বায়ন প্ৰভাৱ :

সময়ৰ পৰিবৰ্তনৰ লগে লগে লোকাচাৰ সমূহৰও পৰিবৰ্তন হোৱা দেখা যায়। আগতে গৰ্ভাৱস্থাত থকা তিৰোতাজনীক সাত মাহত খুৱাবলৈ গৈছিল। কিন্তু আজিকালি কিছুমান লোকে নাযায়। যিহেতু বৰ্তমান যুগটো বৈজ্ঞানিক যুগ. গতিকে আজিকালি প্ৰসৱৰ সময়ৰ লোকাচাৰখিনি মেডিকেলতে কৰা হয়। আগতে বাঁহৰ চেচুৰে নাড়ী কটা হৈছিল। কিন্তু আজিকালি মেডিকেলত বৈজ্ঞানিক পদ্ধতিৰে কটা হয়।

আনহাতে বিশ্বায়ন এতিয়া এটা পৰিচিত নাম হৈ পৰিছে। এতিয়া এনে এক অৱস্থাৰ জন্ম হৈছে যে আজিৰ বিশ্ব পৰিস্থিতিত বিশ্বায়নৰ জালত নোসোমোৱাকৈ একো কামেই নহয়। আগতে জন্মদিন উপলক্ষে ঘৰত দোৱা কৰিছিল। কিন্তু আজিকালি কেক কাটি সামাজিক মাধ্যমত ফটো দিয়াটো জৰুৰী হৈ পৰিছে। আজিকালি প্ৰায়ে 'Baby shower' পতা দেখা যায়। পাশ্চাত্যৰ এই লোকাচাৰটো বিশ্বায়নৰ প্ৰভাৱৰ দ্বাৰা অসমীয়া সংস্কৃতিত সোমাই পৰিছে।

# পঞ্চম অধ্যায়

৬.০খাটোবাৰী গাঁৱৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ:

দেশৰ বিভিন্ন প্ৰান্তত বিবাহৰ বহুতো ৰীতি-নীতিৰ ভিন্নতা আছে। যদিও মূলতঃ বিবাহ যিকোনো দেশ, সংস্কৃতি বা ধৰ্মত প্ৰচলিত এক প্ৰথা যাৰ জৰিয়তে এজন ব্যক্তি আন এজন ব্যক্তিৰ জীৱনত অংশগ্ৰহণ কৰে। ইয়াৰ বাহিৰেও বিবাহ সুখ অৰ্জন আৰু মানৱ জাতিৰ ধাৰাবাহিকতা অব্যাহত ৰখাৰ এক মাধ্যম। সমাজ যিয়েই নহওক কিয় বিবাহ আৰু সম্পৰ্ক বিচাৰি উলিওৱাৰ পদ্ধতি একেই।

৬.১ কইনা চাবলৈ যোৱাৰ লোকাচাৰ:

ল'ৰাৰ ঘৰে আধিৰণতে পাত্ৰীৰ সন্ধান চলাওতে কোনো উপযুক্ত ছোৱালীৰ খবৰ পালে গোপন ভাৱে ছোৱালীজনী চায়। তেনেদৰে চাই পছন্দ হ'লে কোনো নিৰ্ভৰ যোগ্য মধ্যস্থতাকাৰীৰ জৰিয়তে ল'ৰাৰ ঘৰে ছোৱালীৰ অভিভাৱকক কথাবাৰ জ্ঞাত কৰে। ছোৱালীৰ ঘৰে তেতিয়া ল'ৰাৰ বা ল'ৰাৰ ঘৰৰ সম্পৰ্কে তথ্য সংগ্ৰহ আৰম্ভ কৰে। এনেদৰে দুয়ো পক্ষৰ মাজত বিয়াৰ বিষয়ে জনা-জানি হোৱাৰ পিছত দুয়ো পক্ষৰ অভিভাৱক বা তেনে মুৰব্বী স্থানীয় লোকৰ যাতায়ত আৰম্ভ হয়। এই স্তৰতে বহু ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ মাজত ভাব বিনিময়ৰো সুবিধা কৰি দিয়া হয়। ইয়াৰ পিছতে এদিন সুবিধানুযায়ী ভাল দিন বাৰ চাই

আনুষ্ঠানিকভাৱে ল'ৰাৰ ঘৰৰ মানুহে ছোৱালী চাবলৈ বুলি ছোৱালীৰ ঘৰলৈ যায়। ল'ৰাৰ ঘৰৰ পৰা আনুষ্ঠানিকভাৱে প্ৰথম মানুহ আহিবৰ দিনাখন ছোৱালীৰ ঘৰতো আলহী-অতিথিৰ আগমন ঘটে। ইয়াকে তামোল কটা বুলি কোৱা হয়। সকলোবোৰ কথা বতৰা শেষ হোৱাৰ পিছত ছোৱালীয়ে ল'ৰা ঘৰৰ সদস্যক মান ধৰি আশীৰ্বাদ লয়।

৮.২ বিবাহৰ দিন ঠিক কৰাৰ লোকাচাৰ:

বিবাহৰ দিন ঠিক কৰিবলৈ ল'ৰা ঘৰৰ পৰা ছোৱালী ঘৰলৈ কেইজন মান বয়জ্যেষ্ঠ ব্যক্তি ডাঙৰ মাছ, দৈ-চিৰা, ফল-মূল, মিঠাই আদি লগত লৈ আহে। বিবাহৰ দিন ঠিক কৰিবলৈ হ'লে ল'ৰা-ছোৱালী উভয়ৰে দিন পঞ্জীকা চাই লৈ এটি সঠিক দিন বাৰ ঠিক কৰে। সেইদিনা নিকাহৰ সময়, দৰা আহি পোৱাৰ সময়, দৰাৰ সতে আহিবলগীয়া মানুহৰ হিচাপ, কইনাৰ ঘৰত হ'বলগীয়া খোৱা-বোৱা আদিৰ আপ্যায়নৰ বিষয়েও বিশদভাৱে আলোচনা কৰা হয়। এনেদৰে ক্ৰমশ: এটা নিশ্চয়তাপূৰ্ণ প্ৰস্তুতি বিয়াখন অনুষ্ঠিত হোৱাৰ পথত আগবাঢ়ে।

৬.৩ জোৰণৰ সময়ৰ লোকাচাৰঃ

বিয়া অৰ্থাৎ 'নিকাহ'ৰ এদিন বা দুদিন আগতে 'তেল ভাৰ নিয়া' বা জোৰণ দিয়া হয়। কোনো কোনো ঠাইত দৰাক জোৰণ দিয়া ৰীতিও প্ৰচলন আছে। জোৰণত দৰা ঘৰৰ পৰা বস্ত্ৰ, অা-অলংকাৰৰ লগতে দৈ চিৰা বিভিন্ন প্ৰকাৰৰ মিঠাই, তামোল পাণ, নাৰিকল আদিৰে এখন ভাৰ লৈ যোৱা হয়। দৰা ঘৰৰ পৰা যোৱা তিৰোতা এগৰাকীয়ে কইনাক তেল দি মূৰ আচুৰি, অা-অলংকাৰ আৰু তেলৰ শাড়ীখন পিন্ধায়। এনেদৰে জোৰণৰ নিয়ম সামৰণি পৰে।

৬.৪ বিবাহৰ সময়ৰ লোকাচাৰঃ

বিবাহৰ দিনা দৰাক কলপুলিৰ তলত পশ্চিম মুৱা কৈ বহাই তেল দি গা ধুৱোৱা হয়। পিছত আত্মীয় কুটুম্ব আৰু ওচৰ-চুবুৰীয়াৰ সতে আনন্দ কৰি 'শুভ বিবাহ'ত ভোজ ভাত খাই নিৰ্দ্ধাৰিত সময়ত দৰা ঘৰীয়াই বিয়া সাজি কইনা ঘৰলৈ যাত্ৰা কৰে। দৰঘৰীয়া আহি কইনাঘৰৰ পদূলিমূখত উপস্থিত হোৱাৰ পিছতে কইনাঘৰীয়া পক্ষৰ পৰা দৰাক আদৰা হয় আৰু দৰাক

কিছুমান ধেমেলীয়া প্ৰশ্ন সোধা হয়। কইনাৰ ভায়েক বা ভনীয়েকে দৰাক দিয়া অলংকাৰ পিন্ধাই দৰাৰ আঙুলিত ধৰি বিচনীৰে বিচি বিচি ৰভা তলিলৈ লৈ আনে। ৰভা তলিৰ আচুতীয়া আসনৰ দৰাই আসন গ্ৰহণ কৰাৰ পিছত গাখীৰ মিঠাই আদিৰে দৰা আৰু দোভাক আপ্যায়িত কৰে। আপ্যায়িত কৰাৰ বিনিময়ত দৰাই তেওঁৰ লগত ছাঁৰ দৰে থকা দোভাৰ সহায়ত খামত সামৰ্থ অনুসৰি কোনো পৰিমাণৰ ধন দিয়ে।

কইনা- ঘৰৰ ৰভাতলিত চৰিয়ত অনুযায়ী এজন উকিল আৰু দুগৰাকী সাক্ষী নিযুক্ত কৰা হয়। বিয়াৰ প্ৰস্তাৱ দিয়াৰ মাজেদি যিহেতু নিকাহৰ প্ৰক্ৰিয়া আৰম্ভ হয়। গতিকে দৰাৰ ফালৰ পৰা বিয়াৰ প্ৰস্তাৱ কইনাক অৱগত কৰাৰ বাবে এগৰাকী মধ্যস্থতাকাৰী ব্যক্তিৰ প্ৰয়োজন হয়। তেওঁকে বিয়াৰ ৰভাতলিত 'উকিল' বুলি স্বীকৃতি দিয়া হয়। উকিল জন দৰা- কইনা দুয়ো ফালৰ লোকে হব পাৰে। 'উকিল'ৰ চাৱাল - জৱাব অৰ্থাৎ প্ৰশ্ন উত্তৰ আৰু দৰা- কইনাৰ প্ৰস্তাৱ, উত্তৰ সন্মতি ইত্যাদিৰ সাক্ষী দুগৰাকীৰ এগৰাকী কইনা- পক্ষৰ আনগৰাকী দৰা-পক্ষৰ পৰা নিয়োগ কৰাই সাধাৰণ নিয়ম। সাক্ষী সাধাৰণতে হব লাগে দুজন পুৰুষ।

তেওঁলোক প্ৰাপ্তবয়স্ক হোৱাৰ উপৰিও চৰিত্ৰবান ব্যক্তি হ'ব লাগিব।

এনেদৰে 'উকিল আৰু সাক্ষী' নিযুক্ত হোৱাৰ পিছত উকিলে পোনতে সাক্ষী দুগৰাকী আগত ৰাখি দৰাৰ পৰিচয় জানি লৈ তেওঁৰ মুখৰ পৰা কইনাৰ আগত উপস্থাপন কৰিবলগীয়া প্ৰস্তাৱটো শুনে। দৰাই কিমান 'মোহৰানা' দিবলৈ ইচ্ছুক জানিবলৈ দি সেইমতে কইনাৰ সন্মুখত বিয়াৰ প্ৰস্তাৱ দাঙি ধৰিবলৈ 'উকিল'ক অনুৰোধ কৰে। এইখিনি শুনাৰ পাছত সাক্ষীসহ 'উকিল' কইনাৰ ওচৰলৈ যায়। কইনাই ঘৰৰ কোনো কোঠাত মহিলাসকলৰ মাজত বহি থাকে। দৰাঘৰীয়া গৈ পোৱাৰ পৰত পিন্ধয়ে দিয়া সাজ-পাৰ পিন্ধি থাকে যদিও 'নিকাহ'ৰ আগে আগে দৰা-ঘৰৰ পৰা নিয়া নতুন সাজ-পাৰ পিন্ধে, মানে দৰা ঘৰৰ হিলাই গৈ পিন্ধায়, 'উকিল আৰু সাক্ষী'য়ে যেতিয়া দৰাৰ প্ৰস্তাৱ লৈ কইনাৰ ওচৰলৈ যায় তেতিয়া দৰাঘৰৰ তিৰোতাসকলে কইনাৰ মুখ ঢাকি এখন ওৰণি দিয়ে। উকিলে সাক্ষীসহিতে কইনাৰ সন্মুখত থিয় হৈ বা বহি দৰাৰ ফালৰ প্ৰস্তাৱটো এনেদৰে দাঙি ধৰে, 'অমুক গাঁৱৰ/ চহৰৰ জোনাব অমুকৰ জ্যেষ্ঠ/ মধ্য/ কনিষ্ঠ পুত্ৰ অমুকে ইমান 'মোহৰানা' আদায় প্ৰতিশ্ৰুতিৰে তোমাৰ

সতে নিকাহ কৰাৰ আৰম্ভ কৰি আমাক উকিল ধৰি আমাৰ জৰিয়তে তোমালৈ নিকাহৰ প্ৰস্তাৱ প্ৰেৰণ কৰিছে। এই প্ৰস্তাৱত তুমি ৰাজী আছানে?" এইদৰে তিনিবাৰ সোধাৰ পিছত তিনিওবাৰ কইনাই 'ৰাজী আছো' বুলি সন্মতি জ্ঞাপন কৰাৰ কথা সাক্ষী সকলে নিজ কাণে শুনাৰ পিছত উকিল চাহাবে সাক্ষীৰ সৈতে পুনৰ দৰাৰ ওচৰলৈ উভতি আহি পোনতে কইনাই সন্মতি প্ৰদান কৰাৰ কথা দৰাক আৰু তাৰপিছত মজলিচত উপস্থিত ব্যক্তিসকলৰ উদ্দেশ্যে কইনাৰ সন্মতিৰ কথা জনায়।

এনেদৰে নিকাহ পৰ্বৰ অন্ত পৰে। নিকাহ পঢ়োৱা হোৱাৰ পাছত মৌলবীয়ে পবিত্ৰ 'কোৰাণৰ চুৰা' বা আয়াত পাঠ কৰি দৰা কইনাক সতি সন্ততিৰে সুখময় সুদীৰ্ঘ দাম্পত্য জীৱনৰ বাবে দোৱা বা আশীৰ্বাদ কৰে।

৬.৫ বিয়াৰ পিছৰ লোকাচাৰ:

'নিকাহ' হৈ যোৱাৰ পিছতে দৰাই থিয় হৈ ৰজতলিৰ বাহিৰক 'আচ্ছালামু আলাইকুম' বুলি চালাম জনায়। সকলোৰে 'ছাদি মোৱাবক' দিয়ে আৰু পিছত নিকাহৰ মিঠাই খায়। নিকাহৰ পিছত দৰা-ঘৰৰ মানুহক কইনা-ঘৰৰ মানুহে চাহ, ভাত, খুৱাই আপ্যায়ন কৰে। তাৰ পিছত

কইনাৰ দেউতাক বা জ্যেষ্ঠ ককায়েকে দৰাৰ হাতখনত কইনাৰ হাতখন তুলি দি কইনাৰ বাকী থকা জীৱন গোটাই দিয়ে আৰু সুখৰ সংসাৰ এখন কামনা কৰি বিভিন্ন উপদেশ বাণী শুনায়।

দৰাই কইনা লৈ উভতি আহি পদূলি মুখত উপস্থিত হোৱাৰ পিছত দৰাৰ মাক আৰু বয়জেষ্ঠসকলে কইনা আদৰে। ঘৰ সোমোৱাৰ আগে আগে কইনাৰ ভৰি ধুৱাই দিয়া হয়। কইনাই দৰাৰ ঘৰত দুঘন্টা - তিনিঘন্টা থাকি দৰাৰ ঘৰৰ নিয়মখিনি কৰি ঘৰলৈ গুচি আহে নাইবা তাৰ পিছদিনা আহে। তাৰ পিছত বিয়াৰ পিছদিনা আবেলি দৰা আৰু দৰাৰ কেইজন মান আত্মীয় কুটুম্বৰে কইনাৰ ঘৰলৈ গৈ 'নেতা খোৱা' কাৰ্য সমাপন কৰি কইনাক দৰাৰ লগত লৈ আহে।

৬.৬ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন আৰু বিশ্বায়ন প্ৰভাৱ :

ইতিমধ্যে আমি বিবাহ কাৰ্য্যৰ লগত জড়িত লোকাচাৰ সমূহৰ বিষয়ে আলোচনা কৰি আহিছো।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰতিটো কাৰ্য্যৰ লগত জৰিত লোকাচাৰ সমূহৰও পৰিৱৰ্তন হৈছে। বিবাহ সম্বন্ধীয় লোকাচাৰৰ ভিতৰত আগতে কইনা চাব যোৱা নিয়ম আছিল কিন্তু আজি কালি সামাজিক মাধ্যমৰ যোগেদি কইনা চায়। লগতে কইনাৰ পৰিচয় সামাজিক মাধ্যমৰ দ্বাৰাই উলিয়াই। আগতে দৰাক জোৰণ দিয়া কোনো নিয়ম নাছিল, কিন্তু আজি কালি কইনাক জোৰণ দি যোৱাৰ পিছত কইনাৰ সম্বন্ধীয় ভায়েক ভনীয়েকে মিলি দৰালৈ জোৰণ লৈ যায়। আগতে কইনাই মোহৰানা এক অনা, দুই অনা, তিনি অনা আদিৰ প্ৰস্তাব দিছিল। আজিকালি টকা হিচাপত এক হাজাৰ, পাঁচ হাজাৰ, পঞ্চাশহাজাৰ, লাখ টকা মোহৰানা হিচাপে প্ৰস্তাৱ আগবঢ়াই।

আনহাতে একবিংশ শতিকাৰ বহুল প্ৰচলিত শব্দটি হ'ল বিশ্বায়ন যাক ইংৰাজীত Giallbalization বুলি কোৱা হয়। বৰ্তমান সময়ত Giallbalization অৰ ভালেকেইটা অসমীয়া প্ৰতিশব্দ পোৱা যায়। যেনে- গোলকীকৰণ, ভূবনীকৰণ ইত্যাদি। বিশ্বায়নৰ প্ৰভাৱে গোটেই বিশ্বক এখন সৰু গাঁৱলৈ ৰূপান্তৰ

ঘটাইছে। বিশ্বায়নৰ প্ৰভাৱৰ ফলত আজি-কালি আন এটা লোকাচাৰ দেখা গৈছে। সেয়া হৈছে মোবাইল যোগে নিকাহ হোৱা। অৰ্থাৎ আজিকালি বহুতো লোকে ইছলাম নিকাহ কৰায়। কইনা ঘৰতে থাকে আৰু দৰাই ইছলাম নামাজ পাঢ়ি মোবাইল যোগে নিকাহ পৰ্ব সম্পন্ন কৰে। যেনেদৰে বিবাহৰ দিনৰ লোকাচাৰ কিছুমান সংকুচিত হৈ আহিছে, ঠিক তেনেদৰে কিছুমান নতুন কাৰ্যসূচী যেনে- মেহেন্দি, হলদি, সংগীত, বিবাহৰ আগৰ ফটোগ্ৰাফী ইত্যাদি সংযোজন হোৱাটোও বিশ্বায়নৰ প্ৰভাৱ।

# ষষ্ঠ অধ্যায়

৭.০ খাটবাৰী গাঁৱৰ মৃত্যুসম্বন্ধীয় লোকাচাৰ :

মানুহৰ জীৱনৰ এক স্বাভাৱিক ঘটনা হ'ল মৃত্যু। জন্ম যেনেদৰে স্বাভাৱিক, তেনেদৰে মৃত্যুও চিৰসত্য। হলেও মানুহৰ মৃত্যুৰ প্ৰতি ভয় চিৰন্তন। আপোনজনক হেৰুৱাই শোকসাগৰত বুৰ যোৱা পৰিয়ালক সান্ত্বনা দিয়াৰ দায়িত্ব ৰাইজে যিদৰে লয় সেইদৰে মৃতকৰ শেষ কৃত্যও সমাপন কৰে। কাৰোবাৰ ঘৰত কোনোবা ঢুকোৱা খবৰ পোৱাৰ লগে লগে মিয়ে যেনেকৈ পাৰে উপস্থিত হয়। এইখিনি সময়ছোৱাত আমাৰ গাঁৱৰ ইছলাম ধৰ্মত কিছুমান লোকাচাৰ প্ৰচলিত আছে।

৭.১ কবৰৰ সময়ৰ লোকাচাৰ :

লোকজনৰ ইন্তেকাল হোৱাৰ পিছত লোকজনক বগা কাপোৰেৰে ঢাকি পশ্চিম মুৱা কৈ শুৱাই থৈ দিয়ে। পৰিয়াল বৰ্গ আৰু ওচৰ চুবুৰীয়াক শেষৰ বাবৰ বাবে লোকজনৰ মুখখন এবাৰ চাব দিয়াৰ বাবে ওচৰত এজন মানুহ থাকে। লোকজনৰ ইন্তেকাল হোৱাৰ কিছু সময়ৰ পিছতে কবৰ খান্দিবলৈ কবৰস্থানলৈ যোৱা হয়। যিটো মানুহে কবৰ খান্দে তেওঁৰ এক বুক হব লাগে আৰু উঠাতে তেওঁ এটা ভাপতে পাৰ পাৰ লাগে। সেয়েহে কবৰ

খান্দিবলৈ অলপ শক্তিশালী মানুহক পঠোৱা হয়। কবৰৰ দীঘলটো লোক জনৰ দীঘল মতে হয় আৰু বহলটো ডেৰ হাত হয়। সেইফালে কবৰৰ কাম চলি থাকে আৰু এইফালে ইন্তেকাল হোৱা লোকজনৰ গোচল কৰা হয়। অৰ্থাৎ গা ধুৱোৱা হয়। যদি লোকজন পুৰুষ তেতিয়াহলে পুৰুষ মানুহে লোকজনক গা ধুৱাই আৰু যদিহে তিৰোতা হয় তেতিয়া হ'লে তিৰোতা মানুহে গা ধুৱাই। গা-পা ধুৱাৰ পিছত লোকজনক এখন বগা কাপোৰেৰে মেৰিওৱা হয় যাক ইছলাম ধৰ্মত কাফান পিন্ধোৱা বুলি কয়। তাৰ পিছত লোকজনক খাতত উঠাই মছজিদলৈ নিয়া হয়। লোকজনক ঘৰৰ পৰা ওলাই নিয়াৰ লগে লগে ঘৰৰ ভিতৰত কলহ এটাত ৪০ দিনৰ কাৰণে পানী থৈ দিয়ে। এইটো এটা লোকবিশ্বাস যে মৃতকৰ আত্মাৰ পানী পিয়হ লাগিলে সেই পানীখিনি খাব। মছজিদত লোকসকলে নামাজ পাঢ়ি লোক জনক কবৰস্থানলৈ দাঙি নিয়ে। ইছলাম ধৰ্মত আজানৰ পিছতহে নামাজ পাঢ়ি কবৰ দিয়া হয়। তাত আগতে খান্দি থৈ দিয়া কবৰত মানুহটোক ভালদৰে বাঁহ, ধাৰা পাৰি থৈ দিয়া হয়। যিমান মানুহ কবৰস্থানলৈ মানুহজনক লৈ যায় সেই সকলোবোৰে এমুঠি এমুঠি হলেও ইন্তেকাল হোৱা লোকজনৰ ওপৰত মাটি দিব লাগে। তাৰ পিছত লোক জনৰ কাৰণে সকলোবোৰে দোৱা কৰে যাতে লোকজনৰ আত্মাই শান্তিত থাকিব পাৰে। এইটোক

ইছলাম ধৰ্মত জানাজা বুলি কোৱা হয়।

৭.২ কবৰৰ পিছৰ লোকাচাৰ:

লোকসকল কবৰস্থানৰ পৰা ঘূৰি আহি ঘৰত কোৰান তিলাৱত কৰে, মৃতকৰ আত্মাৰ শান্তিৰ কাৰণে। মৃতকৰ পৰিয়ালৰ লোকে চাৰিদিন আচা খাব লাগে অৰ্থাৎ ওচৰ চুবুৰীয়াৰ লোকে নাইবা আলহী অতিথিয়ে যোগান ধৰা খাদ্য খাব লাগে। কিয়নো সেই চাৰিদিন ঘৰত জুই ধৰিব নাপায়। ওচৰ চুবুৰীয়া নাইবা আলহী-অতিথিয়ে দিয়া বস্তুবোৰ চাৰিদিন পিছত ঘৰত ৰাখিব নাপায়। সেইবোৰ মাদ্ৰাছাত নাইবা গৰীব লোকক ভগাই দিয়া হয়। চাৰিদিনৰ দিনা জোনাৰ মাতি ঘৰত দোৱা কৰি ওচৰ-চুবুৰীয়াৰ লোকক ক্ষীৰ আৰু ফল-মূল ভগাই দিয়ে। দোৱা কৰাৰ পিছত ঘৰত জুই ধৰিব পাৰি, আকৌ সাত দিনৰ দিনা জোনাৰ মাতি দোৱা কৰে মৃতকৰ আত্মাৰ শান্তিৰ কাৰণে। পোন্ধৰ দিনৰ দিনা আকৌ জোনাব মাতি দোৱা কৰি কবৰ খন্দা মানুহকেইটাক এসাজ ভালদৰে খুৱায়। তাৰ পিছত ৪০ দিনৰ দিনা দোৱা কৰি পৰিয়াল বৰ্গ আৰু গাঁওৰ লোকক মাতি এসাজ ভালদৰে খুৱায়। ৪০ দিনৰ কৰ্মটোৰ পৰাহে ঘৰৰ লোকে মাছ-মাংস খাব পাৰে। পিছত বছৰেকীয়া সকাম পতা হয়।

৭.৩ মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন আৰু বিশ্বায়ন প্ৰভাৱ:

বৰ্তমান সময়ৰ লগে লগে মৃত্যু সম্পৰ্কীয় লোকাচাৰৰও পৰিৱৰ্তন হোৱা দেখা যায়। আগতে মৃতকৰ ঘৰখনে চাৰিদিন জাচা খাইছিল, কিন্তু আজিকালি কিছুমান লোকে জাচা নাখায়। লোকজনক কবৰস্থানত থৈ অহাৰ পিছতে দোৱা কৰি ঘৰত জুই জ্বলায়, আগতে মৃতকক বাঁহৰ চাঙি বনাই চাঙিত লৈ গৈছিল কিন্তু আজিকালি লোহাৰে বনাই থৈ দিয়া খাতত নিয়ে। আগতে কবৰ খন্দা মানুহ কেইটাক ১৫ দিনৰ দিনা এসাজ খুৱাইছিল, কিন্তু আজিকালি কিছুমান লোকে সাত দিনৰ দিনাও খুৱায়।

আনহাতে বিশ্বায়নে লোক সমাজৰ সংস্কৃতিত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। একবিংশ শতিকাৰ বহুল প্ৰচলিত শব্দটি হ'ল বিশ্বায়ন। বিশ্বায়নৰ প্ৰভাৱত মানৱ সমাজে এহাতে ঐতিহ্যৰ প্ৰতি অনাদৰ কৰিবলৈ লৈছে আনহাতে আধুনিকতাৰ প্ৰতি আকৰ্ষিত হৈছে। বিশ্বায়নৰ যিদৰে সুফল আছে সেইদৰে কুফলো আছে। বৰ্তমান সময়ৰ অভাৱত মানুহে ৰীতি-নীতিবোৰ মানি নলয়। মানুহ এজনৰ মৃত্যু হ'লে মানুহজনৰ ঘৰত উপস্থিত নাথাকি মানুহ জনৰ মৃত্যুক সামাজিক মাধ্যমত শোক প্ৰকাশ কৰি সামৰি থয়। কিছুবছৰ এনেকৈ চলি থাকিলে আমাৰ সমাজত পূৰ্বৰে পৰা চলি অহা লোকাচাৰ সমূহ এটা সময়ত লোহোৱা হৈ যাব।

৮.০ উপসংহাৰ:

জগতখনৰ বস্তুবোৰ যিদৰে সদায় একে ধৰণে নাথাকে কোনো এঠাইৰ সংস্কৃত, লোকাচাৰ সমূহো চিৰকাল একেটা ৰূপত নাথাকে।

"খটাবাৰী গাওঁৰ ইছলাম ধৰ্মীয় লোকৰ জন্ম, মৃত্যু, বিবাহ সম্পৰ্কীয় লোকাচাৰ" শীৰ্ষক গৱেষণামূলক আলোচনাক সৰ্বমুঠ ছয়টা অধ্যায়ত বিভাজন কৰা হৈছে।

প্ৰথম অধ্যায়ত নলবাৰী জিলাৰ পৰিচয়, গাঁৱৰ পৰিচয়, গাঁৱৰ ভৌগোলিক স্থিতি সীমা আৰু মাটিকালি, গাঁৱৰ জনসংখ্যা, গাঁৱৰ জীৱিকা, গাঁৱৰ ধৰ্ম, গাঁৱৰ প্ৰসিদ্ধ স্থান, গাঁৱৰ ভাষা, গাঁৱৰ সাহিত্য সম্পৰ্কে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়ত সংস্কৃতিৰ স্বৰূপ, সংস্কৃতি সংজ্ঞা আৰু শ্ৰেণী বিভাজনৰ লগতে সংস্কৃতিৰ ভাগ সমূহৰ চমু আভাস দিয়া হৈছে।

তৃতীয় অধ্যায়ত লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপ, লোকাচাৰৰ সৈতে আৰ্থসামাজিক, সামাজিক আৰু বৈজ্ঞানিক সম্পৰ্ক, লোকাচৰৰ বিভাগ, অসম আৰু নলবাৰীৰ লোকাচাৰ, গাঁৱৰ লোকাচাৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়ত গাঁৰৰ জন্ম সম্পৰ্কীয় লোকাচাৰ, প্ৰসৱৰ সময়ৰ লোকাচাৰ, প্ৰসৱৰ পিছৰ লোকাচাৰ, দাত গজা, চুলি কটা, অন্নপ্ৰাশন আৰু আৰু কেচুৱাৰ ৰোগৰ সময়ৰ লোকাচাৰ, অন্যান্য, জন্ম সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন আৰু বিশ্বায়ন প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়ত গাঁৰৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ, কইনা চাবলৈ যোৱাৰ লোকাচাৰ, বিবাহৰ দিন ঠিক কৰাৰ লোকাচাৰ, জোৰণৰ সময়ৰ লোকাচাৰ, বিয়াৰ সময়ৰ লোকাচাৰ, বিয়াৰ পিছৰ লোকাচাৰ, বিবাহ সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ উল্লেখ কৰা হৈছে।

ষষ্ঠ অধ্যায়ত গাঁৰৰ মৃত্যু সম্পৰ্কীয় লোকাচাৰ, কবৰৰ সময়ৰ লোকাচাৰ, কবৰৰ পিছৰ লোকাচাৰ, মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ পৰিৱৰ্তন আৰু বিশ্বায়ন প্ৰভাৱৰ চমু আভাস দিয়া হৈছে।

গৱেষণা বিষয়সমূহৰ পৰা দেখা যায় ৰীতি-নীতি, আচাৰ-অনুষ্ঠানে মানুহক উৎসাহিত কৰে, ইজনক সিজনৰ প্ৰতি শ্ৰদ্ধাশীল কৰি তোলাৰ লগতে আনন্দত মতলীয়া কৰি তোলে। কিন্তু গাঁৰৰ ৰীতি-নীতি, আচাৰ-

অনুষ্ঠান সমূহৰ সম্পৰ্কে কৰা পৰ্যালোচনাৰ পৰা দেখা গৈছে যে প্ৰতিটো ৰীতি-নীতি, আচাৰ-অনুষ্ঠান মূল উৎসৰ পৰা কালক্ৰমিক পৰিৱৰ্তন ঘটি বিশ্বায়নৰ গ্ৰাসত সোমাই পৰিছে। যাৰ ফলত ৰীতি-নীতি, আচাৰ-অনুষ্ঠান সমূহৰ পূৰ্বৰ দৰে মাদকতা নোহোৱা হৈ পৰিছে।

গ্ৰন্থপঞ্জী


নেওগ, হৰি প্ৰসাদ, গগৈ, লীলা (সম্পা) | অসমৰ সংস্কৃতি| অসম সাহিত্য সভা| বনলতা, ডিব্ৰুগড়-১| ২০০৩

তালুকদাৰ, বুবুল | অসমৰ সংস্কৃতি| ইউনিয়ন বুক পাব্লিকেচন |পাণবজাৰ গুৱাহাটী - ৫/ ২০২০

শৰ্মা, নবীন চন্দ্ৰ| অসমীয়া লোক সংস্কৃতিৰ আভাস| শ্ৰীগিৰিপদ দেৱ চৌধুৰী বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড| পাণবজাৰ গুৱাহাটী |২০১১

মজুমদাৰ, অনিল চন্দ্ৰ| অসমীয়া সাহিত্যত লোক সাংস্কৃতিক সমল (চৰ্যাপদৰ পৰা সাম্প্ৰতিকলৈ / যশোৱন্ত ৰোড পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয় সমীপত/ পাণবজাৰ গুৱাহাটী ১ / ২০২০

গগৈ, লীলা | অসমৰ সংস্কৃতি| ডিব্ৰুগড় বনলতা |২০১১

চহৰীয়া, কনক চন্দ্ৰ| অসমীয়া সংস্কৃতি অধ্যয়ন| গুৱাহাটী আলিঙ্গিয়া প্ৰকাশন |১০১৬

বৰা, ৰমেশ |অসমীয়া আৰু বড়ো জনগোষ্ঠীৰ লোকবিশ্বাস আৰু লোকাচাৰ এটি তুলনামূলক অধ্যয়ন, গৱেষণা পত্ৰ| গুৱাহাটী বিশ্ববিদ্যালয় |২০১৮

# সংবাদ দাতা সকলৰ নাম ঠিকনা

| ক্ৰ.নং | নাম | লিংগ | বয়স | বৃত্তি | ঠিকনা |
|---|---|---|---|---|---|
| ১ | অনু বেগম | মহিলা | ৬৮ | গৃহিনী | খটাবাৰী |
| ২ | তপন আলি | পুৰুষ | ৪২ | ব্যৱসায় | খটাবাৰী |
| ৩ | পাকিজা বেগম | মহিলা | ৫০ | গৃহিনী | খটাবাৰী |
| ৪ | মইনুল হক | পুৰুষ | ৫৪ | ব্যৱসায় | খটাবাৰী |
| ৫ | মামনি বেগম | মহিলা | ৫২ | গৃহিনী | খটাবাৰী |

# আলোক চিত্ৰ



চিত্ৰ ১ঃ ইছলাম ধৰ্মৰ লোক সকলৰ জোৰণৰ সময়ৰ ফটো



চিত্ৰ ২ঃ ইছলাম ধৰ্মৰ লোকসকলৰ নিকাহৰ সময়ৰ ফটো